প্ৰাসংগিক

# প্ৰসংগ ষষ্ঠ অনুসূচী, বড়োলেণ্ড আৰু আছুঃ জ্বলিছে জনাই ধেমাজী

চাও কমল গগৈ

শ্ৰেণীসংগ্ৰামৰ পাতত আমি সঁকীয়াই আহিছোঁ যে ষষ্ঠ অনুসূচীৰ অধীনত বি.টি.চি গঠনৰ ফলত অসম পুনৰ বিভাজনৰ সমুখীন হ'ব। বিটিচিতে সন্তুষ্ঠ নাথাকি আবছু -বিপিএচি আদিয়ে অচিৰেই বড়োলেণ্ডৰ দাবী তুলিব বুলিও আমি ভৱিষ্যতবাণী কৰিছিলোঁ। কোৱা বাহুল্য, আমাৰ সেই সঁকীয়নি-ভৱিষ্যতবাণীৰ বিপৰীতে আছু নেতৃত্বই আবছু নেতৃত্বৰে লগত সনাপিতিকা কৰি ষষ্ঠ অনুসুচীৰ অধীনত বিটিচি প্ৰদানত উঠি পৰি লাগিল। আছুৱে পৰমানন্দ লাভ কৰিব পাৰে এই কথা ভাবি যে তেওঁলোকৰ সেই সমৰ্থনেৰে বলীয়ান হৈ অচিৰেই আবছু-বি এল টিয়ে ষষ্ঠ অনুসূচীৰ বিটিচি-বিটিএডি কাঢ়ি ল'লে।

সেয়েহে আছুৰ বয়োবৃদ্ধ নেতৃত্বৰ বোধোদয় হওক নহওক, অন্ততঃ অসমবাসীৰ বিবেচনালৈ আহক বুলিয়েই কেতবোৰ সময়োপযোগী কথা কৈ থোৱাৰ প্ৰয়োজন অনুভৱ কৰিছোঁ। আমি দুবছৰ আগতেই সঁকীয়াই দিয়াৰ দৰেই ষষ্ঠ অনুসূচীৰ অধীনত বিটিচি-বিটিএডি প্ৰাপ্তিৰ ঠিক পাছতে আবছু-বিপিএচি-বিএলটি-বড়ো নেতৃত্বই বড়োলেণ্ডৰ দাবী পুনৰ উত্থাপন কৰিছে। আছুৱে 'বিটিচি নেপালে বড়ো নেতৃত্বই বড়োলেণ্ড বিচাৰিব' বুলি অসমৰ ৰাইজক ভয় খুৱাই বিটিচি-বিটিএডি পাতি দিয়াত যি অত্যুৎসাহ দেখুৱালে, তাৰ বিপৰীতে বিটিচি-বিটিএডি পোৱাৰ এবছৰ নৌহওঁতেই বড়ো নেতৃত্বই আজি বড়োলেণ্ড দাবী কৰিছে। আছু আজি নিবোকা চামোন।

উল্লেখযোগ্য যে বিটিচি চুক্তি স্বাক্ষৰিত হোৱাৰ পাছত কোকৰাঝাৰৰ বনৰগাঁৱত অনুষ্ঠিত অধিবেশনতে আবছুৱে পৃথক বড়োলেণ্ডৰ দাবী তথা আন্দোলন প্ৰত্যাহাৰ কৰিছিল। কিন্তু আবছু-বিএলটি সমৰ্থিত সাংসদ চাঞ্চুমা খুংগুৰ বিচমুতিয়াৰীয়ে এইবাৰ পুনৰনিৰ্বাচিত হৈয়েই সাংসদৰ মজিয়াত বড়োলেণ্ডৰ দাবী পুনৰ উত্থাপন কৰিছে। দি টেলিগ্ৰাফ কাকতত এই সম্পৰ্কত ওলোৱা বাতৰিটোত কোৱা হয়ঃ

মুঠৰ ওপৰত সন্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিয়ে বাৰম্বাৰ সঁকীয়াই অহা দৰেই বিটিচি-বিটিএডি বড়োলেণ্ডৰ বাটকটীয়া বুলি সাব্যস্ত হৈছে। অসমৰ এই পুনৰবিভাজনৰ নৈতিক দায়িত্ব সদৌ অসম ছাত্ৰ সন্থাই কোনোদিন এৰাব নোৱাৰিব। আশ্চৰ্যকৰ কথা যে আছুৰ সক্ৰিয় আৰু প্ৰকাশ্য সমৰ্থনেৰে জিকি যোৱা সৰ্বানন্দ সোণোৱালৰ দৰে সদা-সৰৱ নেতায়ো সংসদত বড়োলেণ্ডৰ বিৰুদ্ধে এষাৰ কথা কোৱাৰ সাহস গোটাব নোৱাৰিলে। অথচ এইজন সৰ্বানন্দ সোণোৱালৰ সপক্ষে অসমীয়া প্ৰতিদিন কাকতত মুকলিকৈ সৰৱ হৈ উঠিছে আছু নেতা ('সৰ্বানন্দ সোণোৱালক আক্ৰমণঃ অমিয় ভুঞাৰ প্ৰতিক্ৰিয়া'; অসমীয়া প্ৰতিদিন ১৭-৬-০৪)। একদশকমান আছুৰ নেতৃত্ব দিয়া, এতিয়াও আছুৰে প্ৰকাশ্য সম্পৰ্ক ৰখা এনে নেতাও যেতিয়া অসমৰ খণ্ডিত কৰণৰ সম্পৰ্কত নিমাত-নিতাল, তেতিয়া বুজিব লাগিব ষষ্ঠ অনুসূচী-বিটিচিৰ পৰা অসমৰ বিভাজন-বড়োলেণ্ডলৈকে এই যাত্ৰাত তেওঁলোক সকলো সহযাত্ৰী।

## ধেমাজী-জনাইত জুইঃ দায়ী কোন?

কেৱল পাহাৰৰ জনজাতিৰ বাবে প্ৰযোজ্য (যাৰ একোটা অঞ্চলত নিৰংকুশ সংখ্যাগৰিষ্ঠতা আছে) সংবিধানৰ ষষ্ঠ অনুসূচীক মিশ্ৰবসতিপূৰ্ণ অসমৰ ভৈয়ামলৈ নমাই অনাৰ ভয়াবহ পৰিণতি সম্পৰ্কে আমি বাৰম্বাৰ সঁকীয়াই আহিছিলোঁ আৰু যথাৰীতি অগপ-বিজেপি-কংগ্ৰেছ-চিপিআই-চিপিএম-আছু-সাহিত্য সভা আদিয়ে সেই সঁকীয়নিক ফুৎকাৰে উৰুৱাই দিছিল। আজি কোকৰাঝাৰৰ জুইকুৰা ধেমাজী-জনাইতো জ্বলাৰ দায়িত্ব সেয়েহে তেওঁলোকে এৰাব নোৱাৰে। উদাহৰণ স্বৰূপে যিজন চাঞ্চুমা খুংগুৰ বিচমুতিয়াৰীয়ে সংসদৰ প্ৰথম অধিবেশনতে বড়োলেণ্ডৰ দাবী উত্থাপন কৰিলেগৈ তেওঁ প্ৰত্যক্ষভাবে অগপ আৰু বিজেপিৰ সমৰ্থিত প্ৰাৰ্থী আছিল। চিপিআই, চিপিএম, আদিৰো সমৰ্থন আছিল তেওঁৰ প্ৰতিয়েই। এতিয়া এওঁলোকে যদি ক'ব খোজে কোকৰাঝাৰত ষষ্ঠ অনুসূচী ভাল, ধেমাজীত বেয়া, তেনেহ'লে ক'ব লাগিব বালিলৈ যি পাত শৰ তেওঁলোকে মাৰিছিল, সেইপাত সুগ্ৰীৱলৈও ঘুৰি আহিব বুলি তেওঁলোকে নাজানিছিল নেকি? দিলীপ শইকীয়া সোণোৱাল, সৰ্বানন্দ সোণোৱাল সকলে সোণোৱাল-কছাৰীসকলৰ বাবে ষষ্ঠ অনুসূচীৰ প্ৰসংগত তথা অসমৰ সকলো জনজাতি গোষ্ঠীৰ বাবে ষষ্ঠ অনুসূচীৰ প্ৰসংগত নিজৰ স্থিতি স্পষ্ট কৰা দৰকাৰ। কাৰণ বড়ো, তিৱা, ৰাভা, সোণোৱাল কছাৰীৰ বাবে ষষ্ঠ অনুসূচী দিয়ক, মিচিঙক নিদিব এনে দুমুখীয়া স্থিতিও সুবিধাবাদৰ নামান্তৰ। বিষয়টো দিনৰ পোহৰৰ দৰে স্পষ্ট হোৱা প্ৰয়োজনঃ

মিশ্ৰজনবসতিপূৰ্ণ এলেকাত মাত্ৰ একোটা জনজাতি গোষ্ঠীক ভূখণ্ডগত স্বায়ত্তশাসন দিলে আনসকলৰ অধিকাৰ বিপন্ন হ'ব, ফলত সংঘৰ্ষ অনিবাৰ্য হ'ব। ষষ্ঠ অনুসূচীয়ে অসমত তাকেই কৰিছে। অজনজাতিসকলৰ লগত চৰম শত্ৰুতাৰ সৃষ্টি কৰি প্ৰকৃতাৰ্থত জনজাতিসকলকো স্বায়ত্তশাসনৰ পৰা বঞ্চিত কৰি এহাতে অসমক খণ্ড-বিখণ্ড কৰা আৰু আনহাতে অসমক জনজাতি-অজনজাতি সংঘৰ্ষৰ বধ্যভূমিৰ পৰিণত কৰাই ষষ্ঠ অনুসূচীৰ উদ্দেশ্য। জোৰ পুৰি হাত পোৱাৰ পাছত এই সম্পৰ্কে কোনো মোহ কোনো পক্ষই ৰখা উচিত নহয়। প্ৰসংগতঃ আমি সদৌ অসম ছাত্ৰ সন্থাক তেওঁলোকৰ বিটিচি-বিটিএডি-ষষ্ঠ অনুসূচী সমৰ্থনকাৰী স্থিতিৰ সপক্ষে মুকলি আৰু সম্পূৰ্ণ বক্তব্য আগবঢ়াবলৈ প্ৰত্যাহ্বান জনাই থ'লো।

## সমাধানসূত্ৰঃ ষষ্ঠঅনুসূচী নহয়, ভূপিন্দাৰ সিঙৰ প্ৰস্তাব আৰু ফেডাৰেল গাঁথনিহে

স্পষ্টকৈ কৈ থওঁ আমি মিচিং স্বায়ত্তশাসনৰ (তথা বড়ো, তিৱা, ৰাভা, সোণোৱাল-কছাৰী,ঠেঙাল-কছাৰী, দেউৰী, কাৰ্বি আদি সকলো জনজাতি গোষ্ঠীৰ) বিৰোধীতো নহয়েই, বৰং যোৱা দুইদশকজুৰি তাৰ দাবীদাৰহে।

এই ক্ষেত্ৰত বিভাজনকাৰী, ভাতৃঘাতী সংঘৰ্ষ সৃষ্টিকাৰী আৰু অগণতান্ত্ৰিক ষষ্ঠ অনুসূচীৰ পৰিবৰ্তে ড. ভূপিন্দাৰ সিঙৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া তিনিজনীয়া বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ এখন ঘূৰণীয়া মেজমেলৰ আলোচনাৰ আধাৰ হ'ব পাৰে। উল্লেখযোগ্য যে উক্ত বিশেষজ্ঞ সমিতিয়ে গাঁও পৰ্যায়ত দঃলুগ কৌবাং, আঞ্চলিক পৰ্যায়ত বাংকে কৌবাং আৰু সৰ্বোচ্চ পৰ্যায়ত বানে কৌবাং গঠনৰ জৰিয়তে তিনিটা পৰ্যায়ত স্বায়ত্তশাসন প্ৰদানৰ কথা কৈছিল। মূল মিচিং বসতিৰ পৰা বিচ্ছিন্ন এখন অকলশৰীয়া মিচিং গাঁৱে দলুগ কৌবাং অথবা আন আঞ্চলিক স্বায়ত্ত শাসনৰ লগত ভৌগলিকভাৱে সংলগ্নতা নথকা আন এটা এলেকাত মিচিংসকলে বাংকে কৌবাঙৰ ক্ষমতা উপভোগ কৰাৰ ব্যৱস্থা উক্ত পৰামৰ্শত আছিল। আনহাতে বানে কৌবাং সৰ্বোচ্চ পৰ্যায়ত সংগঠিত হ'লহেঁতেন, যাৰফলত প্ৰতিটো বাংকে কৌবাঙৰ ভৌগলিক সংলগ্নতা অপৰিহাৰ্য নাছিল। এনে স্বায়ত্তশাসনে অনা-মিচিংসকলৰ অধিকাৰ হৰণৰ আশংকাও নোপজালেহেঁতেন আৰু সংঘাত এৰাই চলি মিচিংসকলৰ বিকাশৰ বাট মোকলাব পাৰিলেহেঁতেন। অৱশ্যে তাৰ বাবে সেই স্বায়ত্তশাসনত বিত্ত, ৰাজহ, সংৰক্ষিত অৰণ্য, পৰিকল্পনা, সাধাৰণ প্ৰশাসন, বান নিয়ন্ত্ৰণ আদি দপ্তৰো থাকিব লাগিব। যি কি নহওক, মিশ্ৰজনবসতিপূৰ্ণ অসমত সকলো জনগোষ্ঠীয়ে আত্ম নিৰ্ধাৰণ আৰু স্বায়ত্তশাসনৰ অধিকাৰ উপভোগ কৰিবলৈ হ'লে কে'বাতৰপীয়া স্বায়ত্তশাসনৰ এনে এক ফেডাৰেল গাঁথনি সংশ্লিষ্ট সকলো পক্ষই বহি সূত্ৰায়ন কৰিবই লাগিব। তেহে কেৱল মিচিং নহয়, তেওঁলোকৰ লগতে উত্তৰপাৰৰ দেউৰী, সোণোৱাল কছাৰী, বড়ো আদি জনজাতি আৰু আনকি তাই আহোম, চুতীয়া, ঝাড়খণ্ডী আদিবাসী, কোচ ৰাজবংশীকে ধৰি অনা-জনজাতি গোষ্ঠীবোৰেও সংঘাতবৰ্জিতভাৱে পাৰস্পৰিক সমিলমিলেৰে আত্ম-নিৰ্ধাৰণ, স্বায়ত্তশাসন উপভোগ কৰিব। ✪

## শ্ৰেণীসংগ্ৰামৰ বকেয়া ধনঃ প্ৰথম তালিকা

দীৰ্ঘদিন ধৰি শ্ৰেণীসংগ্ৰামৰ বাবদ বিভিন্ন ঠাইৰ এজেণ্টসকলে বিপুল পৰিমাণৰ ধন আদায় দিবলৈ বাকী আছে, যাৰ ফলত আলোচনীখন চলাই ৰখা কঠিন হৈ পৰিছে। সেয়েহে ইয়াত বিভিন্ন ঠাইৰ পৰা অনাদায় পৰিমাণ উল্লেখ কৰিলোঁ। পৰৱৰ্তী কালত এই তালিকা সম্পূৰ্ণকৈ প্ৰকাশ হোৱাৰ আগতেই সংশ্লিষ্ট সকলোকে পৰিমাণবোৰ আদায় দি শ্ৰেণীসংগ্ৰামৰ প্ৰতি কমৰেডৰ হাত আগবঢ়াবলৈ কাতৰ অনুৰোধ জনোৱা হ'লঃ

| | |
|---|---|
| ১। তিতাবৰঃ ২০০১ চনৰ পৰা এই সংখ্যালৈকে (লগত বঙিয়াৰ পৰা পোৱা ২০০ টকা) | ১০২৫.০০ |
| ২। নলবাৰী (ক) | ২৫৫০.০০ |
| ৩। নলবাৰী (খ) ২০০১ চনৰ পৰা আজিলৈকে | ১৬০৫.০০ |
| ৪। বঙিয়াঃ (তিতাবৰৰ যোগেদি পোৱা ৫০০ টকা বাদ দি) | ৯৪০.০০ |
| ৫। গুৱাহাটী (ক) | ৭৭৫.০০ |
| ৬। গুৱাহাটী (খ) | ১৮১০.০০ |